# এন্ধাৰৰ সুৰুঙাৰে পোহৰৰ ছাঁ



অনিমা নেওগ

# এন্ধাৰৰ সুৰুঙাৰে পোহৰৰ ছাঁ

অণিমা নেওগ

**ISBN : 978-93-48135-22-3**

**প্ৰকাশক ঃ**
অংকুৰণ প্ৰকাশন, জেইল ৰোড, যোৰহাট
ভ্ৰাম্যভাষ ঃ ৯৬৭৮৬৯৬৮৬১

**প্ৰকাশকাল ঃ** ডিচেম্বৰ, ২০২৪

**গ্ৰন্থস্বত্ব ঃ** লেখিকা

**আৰ্হিপাঠ ঃ** লেখিকা

**ডিটিপি ঃ** প্ৰণৱ প্ৰতিম নাথ

**মূল্য ঃ** ২০০.০০ টকা মাত্ৰ

**মুদ্ৰক ঃ** অংকুৰণ মেডিয়া, যোৰহাট। ভ্ৰাম্যভাষ ঃ ৮৬৩৮৩১০৬৯৯

মোৰ স্বৰ্গগত দেউতা (দেউ) ৰ
প্ৰেৰণাত মই আজিও লিখিবলৈ উৎসাহ পাওঁ
তেওঁৰে স্মৃতিত মোৰ ক্ষুদ্ৰ উপন্যাসখন উছৰ্গা কৰিলো।

**অণিমা নেওগ**

# আগকথা

গুৱাহাটীৰ পৰা প্ৰকাশিত মাহেকীয়া বাৰ্তালোচনী 'ঐতিহ্য বাৰ্তা'ত ২০১৮ চনৰ নৱেম্বৰৰ পৰা ২০১৯ চনৰ ডিচেম্বৰ মাহলৈ ধাৰাবাহিকভাৱে প্ৰকাশিত উপন্যাস 'এন্ধাৰৰ সুৰুঙাৰে পোহৰৰ ছাঁ' মোৰ ৰচিত দ্বিতীয়খন উপন্যাস। উপন্যাসখনলৈ সমাজৰ কিছুমান চৰিত্ৰ বুটলি অনা হৈছে। সংঘাতময় জীৱনৰ কৰুণ অথচ সঁচা ঘটনাৰ আলমত চৰিত্ৰবোৰ কল্পনাৰ বোলেৰে বুলাই জীপাল কৰিবলৈ চেষ্টা কৰিছোঁ। আত্মীয়তাৰ উৰ্দ্ধত এক সঁচা সহৃদয়তা সমাজত জীয়াই আছে যাৰ প্ৰেৰণাত, যাৰ চেষ্টাত ব্যক্তিৰ স্খলিত জীৱনো পুনৰ ৰংচঙীয়া হ'ব পাৰে।

উপন্যাসখনত বহুতো দোষ-ত্ৰুটি ৰৈ গৈছে। আগ-পিছ আৰু পুনৰাবৃত্তি আদি দোষে ভুমুকি মাৰিছে। সহৃদয় পাঠকে এইবোৰ দোষ বুলি নেভাবি আঁকোৱালি ল'লে মোৰ চেষ্টা সফল হ'ব।

উপন্যাস লিখাৰ অভ্যাস মোৰ নাই। বহুদিনৰ পৰা মনত পুহি ৰখা এই ঘটনাক উপন্যাসৰূপে প্ৰকাশ কৰিবলৈ যত্ন কৰিছো। মোৰ উপন্যাস ৰচনাত উৎসাহ আৰু প্ৰেৰণা যোগোৱা সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। গ্ৰন্থ আকাৰে প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা অংকুৰণ প্ৰকাশনৰ হেমেন নাথ তথা কৰ্মকৰ্তাক ধন্যবাদ জ্ঞাপন কৰিলো।

**অণিমা নেওগ**
দোক মোকালি
সুৰাগপুৰ, তৰুণৰাম ফুকন পথ
চোলাধৰা, যোৰহাট
ম'বাইল নং ঃ ৯৪৩৫৩ ৫০৮৬২

# এক

এখন গাঁও, নাম সোণালী পথাৰ। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ আকৰ। বিনন্দীয়া ৰূপ। সেই গাঁৱত বাস কৰা মানুহবোৰৰ মনবোৰ চিৰ সেউজীয়া। সেইখন গাঁৱতে বাস কৰিছিল এসময়ৰ ধনী ব্যক্তি ৰাজেন্দ্ৰ প্ৰসাদ হাজৰিকা। অঞ্চলটোৰ পৰিসৰ বিশাল। প্ৰায় সোতৰ ওঠৰখন গাঁও। হাজৰিকাক অঞ্চলটোৰ সকলো মানুহে চিনি পায়। সেই সময়ত ওচৰ চুবুৰীয়াই পৰিচয় দিবলগীয়া হ'লে কয়, "আমাৰ ঘৰ সোণালী পথাৰ গাঁৱৰ ৰাজেন্দ্ৰ প্ৰসাদ হাজৰিকাৰ ঘৰৰ ওচৰতে।"

সেই সময়ত অঞ্চলটোত পকীঘৰৰ সংখ্যা আছিল অতি নগন্য। সেউজী নগৰৰ বৃহৎ অঞ্চলটোত পকীঘৰ মাত্ৰ কেইটিমানহে আছিল। প্ৰত্যেকখন গাঁৱত এটা বা দুটা পকীঘৰ। বাকী ঘৰবোৰ বাঁহ-কাঠেৰে সজা। সেই সময়ত অঞ্চলটোত বাঁহ-কাঠৰ অভাৱ নাছিল। কাৰোবাক খুজিলেও বাঁহ-কাঠ পাইছিল। সেয়ে সৰহ সংখ্যক মানুহে বাঁহ-কাঠেৰে আহল-বহলকৈ ঘৰ সাজিছিল। সেই ঘৰবোৰ দেখিবলৈ বৰ শুৱনি আছিল।

সোণালী পথাৰ গাঁৱত মাত্ৰ এটিয়ে পকী ঘৰ আছিল। সেই ঘৰটো ৰাজেন্দ্ৰ প্ৰসাদ হাজৰিকাৰ ঘৰ। ঘৰটো কেতিয়া সাজিছিল মনত নাই। জনা হোৱাৰ পৰাই আমি সেই ঘৰটো দেখি আহিছো। ঘৰটোৰ মেৰামতিৰ প্ৰয়োজন, কিন্তু ৰাজেন্দ্ৰ প্ৰসাদৰ সেইবোৰত একো মন-কাণ নাই।

সেউজী নগৰ অঞ্চলটোৰ ভিতৰত বৃহৎ গাঁওখনেই সোণালী পথাৰ। গাঁওখনত বহুকেইটা সম্প্ৰদায়ৰ মানুহে বাস কৰে। সেয়ে গাঁওখনত নামঘৰৰ সংখ্যাও অধিক। কায়স্থ, দৈৱজ্ঞ, কলিতা, আহোম, কেওট, কোচ, চুতীয়া আৰু কৈৱৰ্ত্ত মানুহ আছে। তাহানি কালৰে পৰা সকলো সম্প্ৰদায়ৰ মানুহৰ

মাজত মিলাপ্ৰীতি আৰু আত্মীয়তা বিৰাজ কৰি আহিছে। বিপদে-আপদে সকলোৰে সকলোকে সহায়-সহযোগিতা আগবঢ়ায়।

হাজৰিকাৰ পৰিয়ালত এখন সাঁচি পাতৰ বংশ বিৰৰণি পুথি আছে। সেই পুথিখনৰ তথ্য অনুসৰি ৰাজেন্দ্ৰ প্ৰসাদৰ বংশ পৰিয়াল আদিতে কনৌজত আছিল। আহোম ৰজা স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত কনৌজৰ পৰা আঠ ঘৰ ব্ৰাহ্মণ আৰু আঠ ঘৰ কায়স্থ মানুহ অসমলৈ আনিছিল। সেই আঠ ঘৰ ব্ৰাহ্মণৰ এজনৰ নাম আছিল বিষ্টোদাৰ দ্বিজ। সেই বিষ্টোদাৰ দ্বিজৰ পৰিয়ালৰ তৃতীয় পুৰুষৰ এজনে এগৰাকী কলিতা সম্প্ৰদায়ৰ ছোৱালী বিয়া কৰাইছিল। সেয়ে তেওঁলোকৰ কুল লুপ্ত হয় আৰু তেতিয়াৰে পৰা তেওঁলোক কলিতা সম্প্ৰদায় হিচাপে জনাজাত হয়। ৰাজেন্দ্ৰ প্ৰসাদ সেই বিষ্টোদাৰ দ্বিজৰ দ্বাদশ পুৰুষ। যিয়েই নহওক, তেওঁলোকৰ বংশ পৰিয়ালত জাত-কুলক লৈ আত্মভিমান নাছিল। কিন্তু ৰাজেন্দ্ৰপ্ৰসাদ বংশ পৰিয়ালৰ ভিতৰত ধনী হোৱাৰ বাবে তেওঁলোকৰ পৰিয়ালৰ অহংকাৰ আছিল। গাঁওবাসীয়ে সেই অহংকাৰৰ ৰূপ প্ৰত্যক্ষ কৰিছিলে ৰাজেন্দ্ৰপ্ৰসাদৰ মাকৰ কথা-বাৰ্তাত। তেওঁ অইন ল'ৰা-ছোৱালীক সদায়ে হেয় প্ৰতিপন্ন কৰিছিল। আনকি নিজৰ আটাইকেইটা ল'ৰা ছোৱালীক সমদৃষ্টি নাৰাখিছিল। বৰপুতেক ৰাজেন্দ্ৰপ্ৰসাদ ব্যৱসায়ী হোৱা বাবে বৰ মৰমৰ চকুৰে চাইছিল। নুমলীয়া পুত্ৰ যাদবানন্দক সৰু বুলিয়ে মৰমৰ সাগৰত ডুবাই ৰাখিছিল। বাকী দুটাৰ ওপৰত তেওঁৰ দৃষ্টি সুপ্ৰসন্ন নাছিল।

সেই সময়ত বৰপুত্ৰ ৰাজেন্দ্ৰ প্ৰসাদেহে বিয়া কৰাইছিল। ৰাজেন্দ্ৰৰ দুটা ল'ৰা-ছোৱালী। এটা ল'ৰা আৰু এজনী ছোৱালী। দুইটা সেই সময়ত সৰু আছিল। স্কুললৈ যাব পৰা হোৱা নাছিল।

ৰাজেন্দ্ৰপ্ৰসাদৰ পিতৃ অভগানন্দ আছিল এজন খনিকৰ। খোল, ঢোল, নেগেৰা, ডবা আদি সজাত তেওঁ পাকৈত আছিল। কিন্তু পিতৃ অভগানন্দৰ লগত ৰাজেন্দ্ৰপ্ৰসাদৰ সদভাৱ নাছিল। মাত্ৰ থাকিবৰ বাবে এটি কোঠা তেওঁক দিছিল। দেউতাকে দিনৰ দিনটো নিজৰ কামতে ব্যস্ত থাকিছিল। গাঁৱৰ মানুহে দেউতাকক কাচিৎহে দেখা পাইছিল।

ৰাজেন্দ্ৰপ্ৰসাদৰ মাকক আমি বৰবৌ বুলি মাতিছিলো। তেওঁ এযোৰ চচ্‌মা পিন্ধিছিল, মুখখন বৰ মৰমলগা আছিল। প্ৰতি বৃহস্পতিবাৰে বংশ পৰিয়ালৰ তিৰোতাবোৰে নামঘৰত নাম লয়, সেই নামলোৱাত তেওঁ মূল নামতী আৰু পাঠেকী আছিল। নাম দিয়া, পাঠ পঢ়া আদি কামবোৰ বৰবৌয়ে সুকলমে

কৰিছিল।

পৰিয়ালটোৰ প্ৰত্যেকজন সদস্যই সমাজত নিজৰ স্থিতি বাহাল ৰাখিবলৈ সমৰ্থ হৈছিল। এটা কথা, তেওঁলোকৰ ঘৰলৈ প্ৰয়োজন নহ'লে কোনো মানুহ নগৈছিল। যদি কেতিয়াবা যাবলগীয়াও হয়, বোৱাৰীয়েক গৰাকীয়ে কাকো বহিবলৈকে নকয়।

তেওঁলোকৰ ঘৰখন ধনী আছিল, কিন্তু মানৱ দৰদী নাছিল। পৰিয়ালৰ দুখীয়া মানুহখিনিক বিপদে আপদে কোনোদিন সহায় সহযোগ আগবঢ়োৱা দেখা নাছিলো। আতুৰত ছলাহী কথাৰে পতিয়ন নিয়াই উভটাই পঠাইছিল।

সমাজৰ মাজত থাকিও তেওঁলোক সদায়ে অকলশৰীয়াকৈ বাস কৰিছিল। একমাত্ৰ বৰবৌৰ বাহিৰে আন কোনো এজন ব্যক্তি কেতিয়াও বংশ-পৰিয়ালৰ ঘৰলৈ যোৱা নাছিল। নামঘৰত বছৰটোৰ বিভিন্ন অনুষ্ঠান হয়। তাত তেওঁলোকে টকা পইচাৰে সহায় কৰিলেও, নিজে গৈ সহযোগ কৰা নাছিল।

## দুই

সেউজী নগৰ অঞ্চলত আছিল এখন বিশাল পথাৰ। পথাৰখনৰ মাজেদি বৈ গৈছিল আমনি বিল। বিলখনৰ নাম আমনি বিল হোৱাৰ এটি কাহিনী আছে। সোণালী পথাৰ গাঁৱৰে বাসিন্দা আছিল আমনি। সেই সময়ত সেই অঞ্চলৰ প্ৰায় মানুহৰ খেতি পথাৰত এটি বহা আছিল। বহা মানে গৰু-ম'হ আদি ৰাখি প্ৰতিপাল কৰা ঠাই। সেই বহাতে ঘৰৰ এজন মানুহ ৰাতি-দিন বাস কৰে। বিলখনৰ পাৰতে আমনিহঁতৰ এটি বহা আছিল। প্ৰায়ে আমনি তাতে বাস কৰিছিল। গৰু-ম'হ প্ৰতিপাল কৰাৰ উপৰিও খেতি বাতিও চোৱাচিতা কৰিছিল। তদুপৰি সেই সময়ত প্ৰায় মানুহৰ দ-পথাৰত একোটিকৈ হ'লেও পুখুৰী আছিল। খৰালি হ'লে পুখুৰী সিচে। মাছ কুইন্টল হিচাপে ওলায়। শ'ল, বৰালি, মাগুৰ, কলিয়াজৰা, কান্ধুলি, শিঙি, গৰৈ, কাৱৈ, পুঠি, খলিহনা আদি মাছেই অধিক। মানুহে মাছবোৰ ধৰি আনি ঘৰত জীয়াই ৰাখিছিল। মাছ জীয়াই ৰাখিবৰ বাবে ঘৰৰ বাৰীত প্ৰায় বিলাকৰে পুখুৰী আছিল। কেইবা মাহলৈকে মাছ জীয়াই আছিল।

সেই সময়ত তাত গাখীৰ উভৈনদী আছিল। সোণালী পথাৰৰ ঘাঁহ খোৱা ম'হৰ গাখীৰৰ এঠাই সুকীয়া। গাখীৰ নোখোৱা মানুহে তাৰ ১০০ গ্ৰাম মান